জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৫২/২০২১

# চৰকাৰী প্ৰশাসন ব্যৱস্থাৰ পাৰদৰ্শিতা বৃদ্ধি বিষয়ক কৰ্মশালাত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই

চৰকাৰী কাম-কাজ সম্পাদনৰ প্ৰক্ৰিয়া সৰলীকৰণৰ বাবে মুখ্যমন্ত্ৰীৰ আহ্বান

**পৰৱৰ্তী ৫ টা বছৰ হ'ব অসমৰ বাবে এক নতুন যুগৰ আৰম্ভণি ঃ মুখ্যমন্ত্ৰী**

**দিছপুৰ, ০৫ জুলাই ঃ** 'প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'ন্যূনতম চৰকাৰ, অধিকতম প্ৰশাসন' নীতিক সাৰোগত কৰি ৰাজ্য চৰকাৰেও 'বহুজন সুখায় বহুজন হিতায়' মূল মন্ত্ৰৰ বাস্তৱায়িতকৰণৰ বাবে কাম কৰি আহিছে।' খানাপাৰাস্থিত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত সচিবৰ পৰা মুখ্য সচিব পৰ্যায়লৈকে জ্যেষ্ঠ চৰকাৰী বিষয়াসকলৰ বাবে আয়োজিত প্ৰশাসনীয় ব্যৱস্থাৰ পাৰদৰ্শিতা বৃদ্ধি বিষয়ক এক কৰ্মশালাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এইদৰে কয়।

এই কৰ্মশালাত প্ৰশাসনীয় সংস্কাৰ, বিত্তীয় সংস্কাৰ আৰু চৰকাৰী আঁচনিসমূহৰ ৰূপায়ণৰ সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হয়, য'ত বিভিন্ন বিভাগৰ মন্ত্ৰীসকলেও নিজৰ অভিজ্ঞতালব্ধ মতামত আৰু পৰামৰ্শ আগবঢ়ায়।

মুখ্যমন্ত্ৰীয়ে কয় যে গণতন্ত্ৰই হৈছে চৰকাৰৰ উৎকৃষ্টতম পৰ্যায়। কিন্তু ব্যৱস্থাৰ ওপৰত ৰাইজ হতাশগ্ৰস্ত হ'লে ই বিদ্ৰোহৰ ৰূপ লয়। সেয়েহে চৰকাৰী প্ৰশাসন ব্যৱস্থাটোৱে অতি সাৱধানতা আৰু দায়বদ্ধতাৰে জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণৰ বাবে কাম কৰাৰ উচিত। এই উদ্দেশ্য আগত ৰাখিয়েই প্ৰশাসনক জনসাধাৰণৰ কাষ চপাই নিয়াৰ লগতে চৰকাৰী আঁচনিসমূহৰ কাৰ্যকৰী ৰূপায়ণ সুনিশ্চিতকৰণৰ দিশত এক পদ্ধতিগত সংস্কাৰ অনাৰ লক্ষ্যৰে আজিৰ এই কৰ্মশালাৰ আয়োজন কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

ৰাজ্য চৰকাৰখনৰ অগ্ৰাধিকাৰৰ বিষয়সমূহৰ ওপৰত আলোকপাত কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে পৰৱৰ্তী ৫ টা বছৰ হ'ব অসমৰ বাবে এক নতুন যুগৰ আৰম্ভণি। তেওঁ কয় যে প্ৰতিগৰাকী জ্যেষ্ঠ বিষয়াৰে অপাৰ সম্ভাৱনীয়তা আছে আৰু এই দক্ষতাক তেওঁলোকে জনকল্যাণৰ কামত প্ৰয়োগ কৰা উচিত।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে চৰকাৰ সদায়ে জনমুখী হোৱাৰ লগতে ৰাইজৰ আশা-আকাংক্ষাসমূহ পূৰণ কৰাটোৱেই ইয়াৰ প্ৰধান কৰ্তব্য হোৱা উচিত। এই কৰ্তব্য সম্পাদনৰ বেলিকা কোনো ধৰণৰ পলম হোৱা উচিত নহয় কিয়নো পলম কৰা কাৰ্যই অৱজ্ঞাক সূচাই আৰু চৰকাৰী কৰ্মচাৰীৰ অৱহেলাৰ বাবে নাগৰিকে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হোৱাটো ন্যায়সংগত নহয়।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰদৰ্শনৰ সূচকৰ ক্ষেত্ৰত কিছুমান বিভাগে ভাল ফল দেখুৱাইছে যদিও বিভাগসমূহে এতিয়া সৰ্বোত্তম পৰ্যায়ত উপনীত হোৱাৰ সময় সমাগত। প্ৰশাসনৰ পদ্ধতিগত সংস্কাৰেই মূল লক্ষ্য হোৱা উচিত বুলি মন্তব্য কৰি চৰকাৰী কাম-কাজৰ সম্পাদনৰ প্ৰক্ৰিয়া সৰলীকৰণৰ বাবে তেওঁ আহ্বান জনায়।

চৰকাৰী নথিসমূহৰ দ্ৰুত নিষ্পত্তিৰ বাবে এক কাৰ্যপন্থা যুগুত কৰাৰ লগতে এই ক্ষেত্ৰত ৰঙা ফিটাৰ মেৰ-পাক দূৰ কৰাৰ বাবে এক ব্যৱস্থা প্ৰৱৰ্তনৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। ফাইলসমূহৰ দ্ৰুত নিষ্পত্তিৰ বাবে প্ৰয়োজন সাপেক্ষে নতুন নিয়মাৱলী প্ৰস্তুতৰ বাবেও পদক্ষেপ গ্ৰহণ কৰিবলৈ তেওঁ বিষয়াসকলৰ প্ৰতি আহ্বান জনায়।

অসমক দেশৰ শ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ এখন হিচাপে পৰিগণিত কৰাৰ দিশত থকা ৰাজ্য চৰকাৰৰ লক্ষ্যৰ সৈতে খোজ মিলাই ঐক্যবদ্ধভাৱে কাম কৰিবলৈ মুখ্যমন্ত্ৰীয়ে শীৰ্ষ বিষয়াসকলৰ প্ৰতি আহ্বান জনায়। জনতা ভৱনৰ লগতে জিলা পৰ্যায়ৰ কাৰ্যালয়সমূহত উন্নত কৰ্ম পৰিৱেশ গঢ়ি তোলাৰ লগতে ই-অফিচ মেনেজমেণ্ট ব্যৱস্থাৰ দ্ৰুত ৰূপায়ণৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে।

মুখ্য সচিব জিষ্ণু বৰুৱাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই কৰ্মশালাৰ শলাগৰ শৰাই আগবঢ়ায় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, সাধাৰণ প্ৰশাসন আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। কৰ্মশালাত হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংহাল, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মোহন, চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, বিত্ত মন্ত্ৰী অজন্তা নেওগ, জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা, শক্তি মন্ত্ৰী বিমল বৰাৰ লগতে বিভিন্ন বিভাগৰ শীৰ্ষ চৰকাৰী বিষয়াসকলে অংশ গ্ৰহণ কৰে।

**বঃভাঃ / নিঃকুঃদাঃ / বীঃগঃ / প্ৰঃকুঃবঃ**
**০৫/০৭/২০২১**